# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 20-MAY-2026
**Time :** 0755 HRS

***Assamese Morning Bulletin***

———————————————

ব্ৰহ্মপুত্ৰক বহুমুখী অৰ্থনৈতিক কৰিড'ৰ হিচাপে গঢ়ি তোলাৰ লগতে অঞ্চলটোৰ বান আৰু খহনীয়া সমস্যা সমাধানৰ বাবে কেন্দ্ৰীয় চৰকাৰে পৰিকল্পনা গ্ৰহণ কৰিছে। কালি গুৱাহাটীত অনুষ্ঠিত ব্ৰহ্মপুত্ৰ ব'ৰ্ডৰ উচ্চ ক্ষমতাসম্পন্ন পৰ্যালোচনা পৰিষদৰ চতুৰ্দশ বৈঠকত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। কেন্দ্ৰীয় জলশক্তি মন্ত্ৰী চি আৰ পাটিলৰ উপস্থিতিত অনুষ্ঠিত এই বৈঠকত শ্ৰী পাটিলে এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে বান, খহনীয়া নিয়ন্ত্ৰণৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰা হ'ব। শেহতীয়াকৈ কেন্দ্ৰীয় গৃহমন্ত্ৰীৰ অধ্যক্ষতাত অনুষ্ঠিত এখন বৈঠকত বিষয়টো আলোচনা কৰা হয় বুলিও তেওঁ জানিবলৈ দিয়ে। এই বৈঠকত জল ভাণ্ডাৰ নিৰ্মাণ কৰাৰ লগতে বানৰ আগতীয়া সতৰ্কীকৰণৰ ব্যৱস্থা গ্ৰহণ সন্দৰ্ভতো আলোচনা কৰা হয় বুলি শ্ৰী পাটিলে কয়। এতিয়াৰ পৰা ব্ৰহ্মপুত্ৰ ব'ৰ্ডত ছিকিম আৰু পশ্চিমবংগক অন্তৰ্ভুক্ত কৰা হ'ব বুলি তেওঁ উল্লেখ কৰে। অনুষ্ঠানত অংশ লৈ কেন্দ্ৰীয় বন্দৰ, জাহাজ চলাচল আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে ব্ৰহ্মপুত্ৰত জল মেট্ৰ'সেৱা আৰম্ভ কৰা হ'ব বুলি ঘোষণা কৰে। তেওঁ কয়, যে গুৱাহাটীকে ধৰি দেশৰ ১৮ খন চহৰৰ পৰা এই সেৱা আৰম্ভ কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰে পৰিকল্পনা লৈছে। প্ৰথম পৰ্যায়ত গুৱাহাটীৰ লগতে শ্ৰীনগৰ, পাটনা, বাৰানসী, অযোধ্যা আৰু প্ৰয়াগৰাজত এই সেৱা আৰম্ভ কৰা হ'ব। দ্বিতীয় পৰ্যায়ত তেজপুৰ আৰু ডিব্ৰুগড়তো এই প্ৰকল্প ৰূপায়ণৰ প্ৰস্তাৱ দিয়া হৈছে। নগৰভিত্তিক জল পৰিবহণৰ বাবে ৰাষ্ট্ৰীয় পৰিকাঠামো প্ৰস্তুত কৰাৰ উদ্দেশ্যে কেন্দ্ৰীয় চৰকাৰে ৰাষ্ট্ৰীয় জল মেট্ৰ' নীতি, ২০২৬-ৰ খচৰা আন্তঃমন্ত্ৰালয় পৰামৰ্শৰ বাবে প্ৰেৰণ কৰিছে বুলি শ্ৰী সোণোৱালে কয়। কালিৰ বৈঠকত জলশক্তি দপ্তৰৰ ৰাজ্য মন্ত্ৰী ৰাজ ভূষণ চৌধুৰীও উপস্থিত থাকে। তদুপৰি কেন্দ্ৰীয় চৰকাৰ আৰু উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনৰ শীৰ্ষ বিষয়া আৰু কাৰিকৰী বিশেষজ্ঞইও বৈঠকত অংশ লয়। এই বৈঠকখনত ত্ৰয়োদশ বৈঠকত গ্ৰহণ কৰা সিদ্ধান্তসমূহ ৰূপায়ণৰ স্থিতি পৰ্যালোচনা কৰাৰ উপৰি নদী অৱবাহিকা ব্যৱস্থাপনা পদক্ষেপৰ অগ্ৰগতিৰ বুজ লোৱা হয়। ইয়াৰ লগতে ব্ৰহ্মপুত্ৰ বোৰ্ডৰ সামগ্ৰিক কামকাজৰ মূল্যায়ন কৰি ব'ৰ্ডৰ ভৱিষ্যত কাম-কাজৰ ৰূপৰেখা প্ৰস্তুত কৰা সন্দৰ্ভত আলোচনা কৰা হয়।

oooooo

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি নতুন দিল্লীত বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনক সাক্ষাৎ কৰে। সাক্ষাৎকালত মুখ্যমন্ত্ৰীয়ে সভাপতিগৰাকীৰ সৈতে বিভিন্ন সাংগঠনিক বিষয় আৰু সংকল্প পত্ৰ ৰূপায়ণৰ ৰূপৰেখা সন্দৰ্ভত আলোচনা কৰে। মুখ্যমন্ত্ৰীয়ে বিজেপিৰ মুখ্য কাৰ্যালয়ত দলৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক দুষ্যন্ত কুমাৰ গৌতমৰ সৈতেও আলোচনা মিলিত হয়। বিজেপি নেতাগৰাকীয়ে এই সাক্ষাৎকালত মুখ্যমন্ত্ৰীক অসম বিধানসভা নিৰ্বাচনত ঐতিহাসিক জয়ৰ বাবে শুভেচ্ছা জনায়।

oooooo

কামৰূপ জিলাৰ শিংৰাত কেন্দ্ৰীয় চৰকাৰৰ কৃষি বিভাগৰ এটা অভিলাসী আঁচনিৰ শুভাৰম্ভ কৰা হৈছে। চৰকাৰে কৃষকৰ বাবে গ্ৰহণ কৰা ২৫ টা পাইলট প্ৰকল্পৰ ভিতৰত অসমৰ একমাত্ৰ জলসিঞ্চন প্ৰকল্পটো কালি বকো-ছয়গাঁও বিধানসভা সমষ্টিত শুভাৰম্ভ কৰা হয়। খেতিয়কসকলে যাতে পথাৰত সুচাৰুৰূপে কৃষিকাৰ্য কৰিব পাৰে, তাৰ প্ৰতি লক্ষ্য ৰাখি উন্নত প্ৰযুক্তিৰে পাইপ সংযোগ কৰি পানী যোগান ধৰাৰ বাবে এই প্ৰকল্পৰ শুভাৰম্ভ কৰা হয়। এই

আঁচনিৰ শুভাৰম্ভ কৰে বকো-ছয়গাঁও সমষ্টিৰ বিধায়ক ৰাজু মেচে। ৩৪ কোটি ৮৪ লাখ টকা ব্যয়েৰে নিৰ্মাণ হ'বলগীয়া এই প্ৰকল্পই ১১ হাজাৰ বিঘা ভূমিত পানী যোগান ধৰাত সহায় কৰিব বুলি বিধায়কগৰাকীয়ে প্ৰকাশ কৰে।

বাইট

০০০০০০

ৰাজ্য চৰকাৰে এহেজাৰ ৪৫৯ কোটি টকা ব্যয়ৰে গুৱাহাটীৰ কৃত্ৰিম বান নিয়ন্ত্ৰণৰ পৰিকল্পনা যুগুত কৰিছে। জি আই এছ আধাৰিত পয়ঃপ্ৰণালী আৰু বান ব্যৱস্থাপনা প্ৰকল্পৰ জৰিয়তে গুৱাহাটীক বান সহনশীল আৰু ভৱিষ্যমুখী মহানগৰ হিচাপে গঢ়ি তোলাৰ লক্ষ্য লোৱা হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে এই বিষয়ে প্ৰকাশ কৰিছে। তেওঁ কয়, যে নগৰীয়া বান সমস্যাৰ স্থায়ী সমাধান কৰি জনসাধাৰণৰ জীৱন সূচল কৰি তোলাৰ বাবে ৰাজ্য চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। এই প্ৰকল্পৰ অধীনত স্বয়ংচালিত ভৰলুমুখ পাম্পিং ষ্টেচন, স্মাৰ্ট পকী পয়ঃপ্ৰণালী আৰু নদী পুনৰুজ্জীৱিতকৰণৰ কাম কৰা হ'ব। তদুপৰি ভৰলু আৰু বাহিনী নৈৰ অৱবাহিকাৰ উন্নয়নৰ বাবে ৫০০ কোটি আৰু চাৰে ৯০০ কোটি টকাৰো ব্যয়ৰে কাৰ্য ৰূপায়ণ কৰা হ'ব।

০০০০০০

ৰাজ্যৰ অৱসৰপ্ৰাপ্ত চৰকাৰী কৰ্মচাৰীসকলৰ পেঞ্চন প্ৰক্ৰিয়াত হোৱা অনাহক বিলম্ব নোহোৱা কৰিবৰ বাবে চৰকাৰে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিছে। চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰাৰ পাছতো দীঘলীয়া সময় ধৰি অৱসৰপ্ৰাপ্ত কৰ্মচাৰীসকলে নিজৰ প্ৰাপ্য আদায়ৰ বাবে কাৰ্যালয়ে কাৰ্যালয়ে ঘূৰি ফুৰিবলগীয়া অৱস্থা নোহোৱা কৰিবৰ বাবে চৰকাৰে কঠোৰ ব্যৱস্থা লোৱা বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমত প্ৰকাশ কৰিছে। সেই অনুসৰি নিৰ্ধাৰিত সময়ৰ ভিতৰত পেঞ্চন প্ৰক্ৰিয়া সম্পন্ন নহ'লে দায়িত্বত থকা বিষয়াক আৰ্থিক জৰিমনা বিহাৰ বাবে চৰকাৰে সিদ্ধান্ত লৈছে। তদুপৰি প্ৰতিমাহে পেঞ্চন বিলম্ব হোৱা সকলৰ তালিকা প্ৰস্তুত কৰি কৃতজ্ঞতা প'ৰ্টেলত আপলোড কৰাৰ বাবেও চৰকাৰে ব্যৱস্থা কৰিছে।

০০০০০০

**সমাপ্ত**